# অসম আদিত্য

৬ আহাৰ, ১৯৪৭ শক | শনিবাৰ, ২১ জুন, ২০২৫ | Asom Aditya, Dibrugarh, Saturday, June 21, 2025


...া কিমান ৰাতি' শীৰ্ষক কবিতাটিৰ আবৃত্তিৰে ...বতসকলক আপ্লুত কৰে। অনুষ্ঠানটিত ...িদ্যালয়ৰ ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপক ...ৰানা হকে বিষ্ণুপ্ৰসাদ ৰাভাৰ 'উটি যা ৰূপালী ....' শীৰ্ষক গীতটি পৰিৱেশন কৰি ...বতসকলক মন্ত্ৰমুগ্ধ কৰি তোলে। ...দ্যালয়ৰ অধ্যাপক আৰু কৰ্মচাৰীবৃন্দৰ লগতে ...ৰ্থী আৰু অভিভাৱকসকলৰ উপস্থিতিত ...ষ্ঠিত অনাড়ম্বৰ অথচ গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিৰ ...ধৰে আয়োজক অসমীয়া বিভাগৰ বিভাগীয় ... ডঃ নৱজ্যোতি দত্তই। কাৰ্যক্ৰমৰ সামৰণিত ...াগীয় প্ৰধানগৰাকীয়ে দিৱসটি পালনত ...যাগিতা আগবঢ়োৱা সংশ্লিষ্ট সকলোলৈকে ...বিক শলাগৰ শৰাই জ্ঞাপন কৰে।

## বিষ্ণুপ্ৰসাদ এটা নাম নহয়, আন্দোলন ঃ ডঃ শইকীয়া

ডিব্ৰুগড়, ২০ জুন ঃ 'বিষ্ণুপ্ৰসাদ ৰাভা এটা নাম নহয়, এটা আন্দোলন, এটা অনুপ্ৰেৰণা।' ঐতিহ্যমণ্ডিত ডি এইচ এছ কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ সংস্কৃত বিভাগ, দৰ্শন বিভাগ আৰু ছাত্ৰ একতা সভাৰ উদ্যোগত অনুষ্ঠিত ৰাভা দিৱসত অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াই আজি এইদৰে কয়। অধ্যক্ষগৰাকীয়ে কয়— যি জাতিয়ে বিষ্ণুপ্ৰসাদ ৰাভাৰ দৰে ব্যক্তিক বুজিব পাৰে, অনুভৱ কৰিব পাৰে, সেই জাতি কেতিয়াও পৃথিৱীৰ পৰা হেৰাই নাযায় আৰু সদায় নিজকে ৰক্ষা কৰি আগুৱাই যাব পাৰে। বিষ্ণু ৰাভাই লোকসাহিত্য, লোক সংগীত, খিলঞ্জীয়া সংস্কৃতি সকলোৰে সপোন একেলগে মিহলি কৰি তেওঁ সৃষ্টি কৰিছিল এনে এক দৰ্শন, যি দৰ্শনত আৰু কেইবা প্ৰজন্মলৈও এই ধাৰা ব্যাপ্ত হৈ থাকিব। অধ্যাপিকা ডঃ চয়নিকা গোস্বামীৰ মংগলাচৰণেৰে শুভাৰম্ভ হোৱা অনুষ্ঠানটিত অধ্যক্ষগৰাকীয়ে কয়— বিষ্ণুপ্ৰসাদ ৰাভাই থলুৱা, খিলঞ্জীয়া সকলোকে অসমীয়া সমাজৰ মূল অংগ হিচাপে লৈ সকলো জাতিক, শ্ৰেণীক একতাৰে বান্ধিবলৈ চেষ্টা কৰিছিল। বিষ্ণু ৰাভাই সপোন দেখিছিল, সপোন দেখাৰ সাহস কৰিছিল, সংগীত, নৃত্যৰে সমাজ সংস্কাৰ কৰাৰ সপোন দেখিছিল। তেনে দৰ্শনেৰে সাংস্কৃতিক বিপ্লৱ সৃষ্টি কৰি ৰাভাৰ আদৰ্শক সঠিক অৰ্থত গ্ৰহণ কৰি তেওঁৰ চিন্তাক আগুৱাই নিয়া প্ৰয়োজন। ছাত্ৰ একতা সভাৰ সাংস্কৃতিক সম্পাদিকা ক্ৰমণিকা গগৈয়ে আঁত ধৰা অনুষ্ঠানটিত উপস্থিত থাকি মহাবিদ্যালয়ৰ পৰীক্ষা নিয়ন্ত্ৰক ডঃ মৃদুল শৰ্মাই কয়— বিষ্ণুপ্ৰসাদ ৰাভাই এগৰাকী এটুকুৰাৰেও সপোন ৰচিব পাৰিছিল। ছাত্ৰী আকাংক্ষা প্ৰাপ্তিৰ সমধুৰ গীত পৰিৱেশনেৰে সকলোকে আপ্লুত কৰা অনুষ্ঠানত অধ্যাপক ডঃ জ্যোতিপ্ৰসাদ যুকন, অধ্যাপিকা ডঃ চন্দনা গোস্বামী, অধ্যাপিকা উৰ্মিলা ৰামছিয়াৰীকে ধৰি ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা, ছাত্ৰ একতা সভাৰ বিষয়ববীয়াৰ লগতে শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

চেণ্টাৰ...

ষ্টাডিঅ...



ডিব্ৰুগড়, ২০ জু...

চেণ্টাৰ ফৰ ইছ...